**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 24-07-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী কেইৰ ষ্টাৰ্মাৰৰ সৈতে দুয়োদেশৰ কৌশলগত সম্পৰ্কৰ বিভিন্ন দিশ সন্দৰ্ভত আলোচনাত মিলিত হ'ব।

২। কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত ৰাষ্ট্ৰীয় সমবায় নীতি ২০২৫ ঘোষণা কৰিব।

৩। দেশৰ আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ কেন্দ্ৰৰ আধুনিকীকৰণ আৰু সম্প্ৰসাৰণৰ বাবে বিভিন্ন ব্যৱস্থা লোৱা হৈছে বুলি কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী ড০ এল মুৰুগানে প্ৰকাশ কৰে।

৪। ভাৰত আৰু চীনৰ সীমান্ত অঞ্চলৰ পৰিস্থিতি পৰ্যালোচনাৰ বাবে নতুন দিল্লীত কালি ৩৪ সংখ্যক বৈঠক অনুষ্ঠিত হয়। ***আৰু***

৫। দিব্যা দেশমুখে ভাৰতৰ প্ৰথমগৰাকী খেলুৱৈৰূপে ফিডে মহিলা বিশ্বকাপ দবা প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী কেইৰ ষ্টাৰ্মাৰৰ সৈতে বৈঠকত মিলিত হ'ব। এই বৈঠক লণ্ডনৰ পৰা ৫০ কিলোমিটাৰ উত্তৰ-পশ্চিম দিশত অৱস্থিত ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰীৰ বাসভৱনত হ'ব। এই বৈঠকত দুয়োদেশৰ কৌশলগত সম্পৰ্কৰ বিভিন্ন দিশ সন্দৰ্ভত আলোচনা কৰা হ'ব। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে প্ৰতিৰক্ষা, বাণিজ্য আৰু প্ৰযুক্তিৰ ক্ষেত্ৰত দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰাৰ উদ্দেশ্যে দুদিনীয়া ভ্ৰমণসূচীৰে কালি ব্ৰিটেইনত উপস্থিত হৈছে। ভাৰত-ব্ৰিটেইন মুক্ত বাণিজ্য চুক্তি বা এফ টি এ প্ৰধানমন্ত্ৰী শ্ৰীমোদীৰ ব্ৰিটেইন ভ্ৰমণ এটা উল্লেখনীয় দিশ ৰূপে বিবেচিত কৰা হৈছে। কেন্দ্ৰীয় বাণিজ্য মন্ত্ৰী পীয়ূষ গোৱেল আৰু ব্ৰিটেইনৰ বাণিজ্য মন্ত্ৰী জ'নাথন ৰেনল্ডে দুয়োদেশৰ প্ৰধানমন্ত্ৰীৰ উপস্থিতিত আজি এই বাণিজ্য চুক্তিত স্বাক্ষৰ কৰিব। ৩ বছৰ ধৰি বিভিন্ন আলাপ-আলোচনাৰ পাছত স্বাক্ষৰিত হ'বলৈ লোৱা এই বাণিজ্য চুক্তিৰ জৰিয়তে সকলো খণ্ডতে ভাৰতীয় সামগ্ৰী ব্ৰিটেইনৰ বজাৰত উপলব্ধ হ'ব আৰু বাণিজ্যিক মূল্যৰ প্ৰায় ১০০ শতাংশ সামৰি লোৱা ৯৯ শতাংশ শুল্ক ৰেহাই পোৱাৰ ফলত ভাৰত লাভৱান হ'ব।

প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে ইংলেণ্ড ভ্ৰমণৰ পাছতে মালদ্বীপৰ ৰাষ্ট্ৰপতি মহম্মদ মুইজ্জুৰ আমন্ত্ৰণ মৰ্মে কাইলৈ দেশখনৰ ৰাজধানী মালেত উপস্থিত হ'ব। অহা শনিবাৰে মালদ্বীপৰ ৬০ বছৰীয়া স্বাধীনতা দিৱস উদযাপন অনুষ্ঠানত প্ৰধানমন্ত্ৰী শ্ৰীমোদী সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব। তেওঁ ৰাষ্ট্ৰপতি মহম্মদ মুইজ্জুৰ সৈতে বৈঠকত মিলিত হোৱাৰ লগতে দেশখনত বিভিন্ন প্ৰকল্পৰ উদ্বোধন কৰিব। মালদ্বীপ হৈছে ভাৰতৰ চুবুৰীয়া প্ৰথম নীতি আৰু মহাসাগৰ অভিযানৰ প্ৰধান অংশীদাৰ। মালদ্বীপত দুদিনীয়া ভ্ৰমণকালত শ্ৰী মোদীয়ে উভয় দেশৰ ব্যৱসায়ী জগতৰ কাণ্ডাৰীসকলৰ সৈতে মত বিনিময় কৰিব।

০০০০০

কেন্দ্ৰীয় গৃহ আৰু সহযোগিতা(সমবায়) মন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীৰ অটল অক্ষয় উৰ্জা ভৱনত ৰাষ্ট্ৰীয় সমবায় নীতি ২০২৫ ঘোষণা কৰিব। এটা বৃহৎ সংস্কাৰৰ পদক্ষেপ হিচাপে গণ্য কৰা এই নীতিয়ে ২০২৫ৰ পৰা ২০৪৫ চন অৰ্থাৎ অহা দুটা দশকলৈ ভাৰতৰ সমবায় আন্দোলনক পথ প্ৰদৰ্শন কৰিব বুলি আশা কৰা হৈছে। মন্ত্ৰালয়ৰ মতে, সমবায় খণ্ডটোক আধুনিকীকৰণ আৰু সহযোগিতাৰ জৰিয়তে সমৃদ্ধিৰ দৃষ্টিভংগীৰ সৈতে সংযুক্ত কৰাৰ লক্ষ্যৰে এই নতুন নীতি প্ৰণয়ন কৰা হৈছে। এই নীতিয়ে তৃণমূল পৰ্যায়ৰ উন্নীতকৰণ তথা বিকশিত ভাৰত ২০৪৭'ৰ লক্ষ্যত উপনীত হোৱাত সমবায়ৰ ভূমিকা বৃদ্ধিত বিশেষ অৰিহণা যোগাব।

উল্লেখযোগ্য যে, ২০02 চনত প্ৰথমবাৰলৈ ৰাষ্ট্ৰীয় সমবায় নীতি প্ৰৱৰ্তন কৰি সমবায় প্ৰতিষ্ঠানসমূহৰ অৰ্থনৈতিক কাম-কাজ পৰিচালনাৰ বাবে এটা মৌলিক পৰিকাঠামো প্ৰদান কৰা হৈছিল। এইবাৰৰ নতুন নীতিৰ লক্ষ্য হৈছে সমবায় প্ৰতিষ্ঠানসমূহক অন্তৰ্ভুক্তিমূলক কৰা, সেইসমূহ পেছাদাৰীভাৱে পৰিচালনা কৰা আৰু ভৱিষ্যতৰ বাবে প্ৰস্তুত কৰি তোলা। প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী সুৰেশ প্ৰভুৰ অধ্যক্ষতাত ৪৮ জনীয়া এখন কমিটীয়ে নতুন নীতি প্ৰস্তুত কৰিছে। এই নীতিয়ে সমবায় পৰিৱেশতন্ত্ৰত গাঁথনিগত পৰিৱৰ্তন অনাৰ লগতে উদ্ভাৱন, স্বচ্ছতা আৰু বহনক্ষমতাক প্ৰসাৰিত কৰিব বুলি আশা কৰা হৈছে।

০০০০০

দেশৰ আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ কেন্দ্ৰৰ আধুনিকীকৰণ আৰু সম্প্ৰসাৰণৰ বাবে বিভিন্ন ব্যৱস্থা লোৱা হৈছে বুলি কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী ড০ এল মুৰুগানে প্ৰকাশ কৰে। লোকসভাত উত্থাপিত এটা প্ৰশ্নৰ লিখিত উত্তৰত ড০ মুৰুগানে কয়, যে কেন্দ্ৰীয় আঁচনি সম্প্ৰচাৰ আন্তঃগাঁথনি আৰু নেটৱৰ্ক বিকাশ- বি আই এন ডিৰ অধীনত কেন্দ্ৰসমূহ উন্নীত কৰা হৈছে। জন সম্প্ৰচাৰ সেৱা শক্তিশালী কৰাৰ উদ্দেশ্যে বিহাৰকে ধৰি দেশৰ অন্যান্য ৰাজ্যসমূহৰ কেন্দ্ৰসমূহো এই আঁচনিৰ অধীনত উন্নীত কৰা হৈছে। তেওঁ জনায় যে এই আঁচনিৰ অধীনত কেন্দ্ৰসমূহ আধুনিকীকৰণ বাবে ২০২১-২০২৬ সময়ছোৱাত দুহেজাৰ ৫৩৯ কোটি টকাৰ অনুমোদন দিয়া হৈছে। এই আঁচনিৰ মূল উদ্দেশ্য সম্প্ৰচাৰৰ উপকৰণসমূহ আৰু পুৰণি ব্যৱস্থাৰ আধুনিকীকৰণ বুলি ড০ মুৰুগানে উল্লেখ কৰে। ড০ মুৰুগানে লগতে জনায় যে বিহাৰত সম্প্ৰচাৰ আন্তঃগাঁথনি আধুনিকীকৰণৰ বাবে চৰকাৰে বিভিন্ন প্ৰকল্পত অনুমোদন জনাইছে।

০০০০০

কটকটীয়া নিৰাপত্তা ব্যৱস্থাৰ মাজেৰে জম্মুৰ ভাগৱতী নগৰ যাত্ৰী নিৱাস শিবিৰৰ পৰা ৩ হাজাৰ ৫০০ তীৰ্থযাত্ৰীৰ ২২ নম্বৰ দলটো অমৰনাথ যাত্ৰাৰ বাবে কাশ্মীৰ উপত্যকালৈ ৰাওনা হৈছে। এই তীৰ্থযাত্ৰীসকলে ১৪০ খন বাহনেৰে আজি পুৱাই শিবিৰৰ পৰা যাত্ৰা কৰিছে। দলটোত দুহেজাৰ ৭০৪ গৰাকী পুৰুষ, ৬৭৫ গৰাকী মহিলা, ১২ টি শিশু, ৮১ গৰাকী সাধু আৰু ২৮ গৰাকী সাধ্বী আছে।

০০০০০

বাংলাদেশত যোৱা ২১ জুলাইত সংঘটিত শোকাৱহ বিমান দুৰ্ঘটনাত আহত লোকসকলক চিকিৎসা সাহায্য প্ৰদান উদ্দেশ্যে দুগৰাকী ভাৰতীয় বিশেষজ্ঞ আৰু চিকিৎসা কৰ্মীৰ এটা দল কালি সন্ধিয়া ঢাকাত উপস্থিত হৈছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ৰ সূত্ৰই জনোৱা মতে বিশেষজ্ঞ দুগৰাকী হৈছে জুয়ে পোৱা আঘাতৰ চিকিৎসা কৰা ভাৰতৰ নতুন দিল্লীস্থিত অন্যতম দুখন চিকিৎসালয় ৰাম মনোহৰ লোহিয়া আৰু ছফডৰজং হাস্পতালৰ চিকিৎসক। তেওঁলোকে আজিৰ পৰা বিমান দুৰ্ঘটনাত আঘাত পোৱা লোকসকলৰ চিকিৎসা আৰম্ভ কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বাংলাদেশৰ এই শোকাৱহ ঘটনাত দেশখনলৈ সম্ভৱপৰ সকলো সহায়-সহযোগ আগবঢ়োৱাৰ নিশ্চিতি প্ৰদান কৰাৰ পাছতে এই বিশেষ দলটো বাংলাদেশত উপস্থিত হৈছে।

ooooo

ভাৰত আৰু চীনৰ সীমান্ত অঞ্চলৰ পৰিস্থিতি পৰ্যালোচনাৰ বাবে নতুন দিল্লীত কালি ৩৪ সংখ্যক বৈঠক অনুষ্ঠিত হয়। যুটীয়া সচিব গৌৰাংগলাল দাসে ভাৰতীয় প্ৰতিনিধিৰ নেতৃত্ব দিয়ে। একেদৰে চীনৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ৰ সীমান্ত আৰু সামুদ্ৰিক পৰিক্ৰমা বিভাগৰ সঞ্চালক হং লিয়াঙে চীনৰ প্ৰতিনিধি দলৰ নেতৃত্ব দিয়ে।

সীমান্ত অঞ্চলৰ পৰিস্থিতি ক্ৰমাৎ শান্তিপূৰ্ণ হোৱা বাবে দুয়োখন দেশৰ প্ৰতিনিধিসকলে সন্তোষ প্ৰকাশ কৰে। দুয়ো দেশৰ দ্বিপাক্ষিক সম্পৰ্ক স্বাভাৱিক কৰাত ই ইতিবাচক প্ৰভাৱ পেলাব বুলিও আশা কৰা হৈছে। তেওঁলোকে সীমান্ত অঞ্চলৰ সমস্যাসমূহৰ বিষয়সমূহৰ কূটনৈতিক আৰু সামৰিক পৰ্যায়ৰ আলোচনাৰ বাবে নিয়মীয়াকৈ যোগাযোগ ৰখাৰ লগতে মত বিনিময় কৰিবলৈ সন্মত হৈছে। ভাৰত আৰু চীনৰ সীমাজড়িত প্ৰশ্নসমূহ পাৰস্পৰিক আলোচনাৰ মাধ্যমেৰে সমাধান কৰাৰ বাবে চলিত বছৰৰ শেষৰফালে ভাৰতত প্ৰতিনিধি পৰ্যায়ৰ বিশেষ বৈঠক অনুষ্ঠিত হ'ব।

ooooo

ভাৰতৰ দিব্যা দেশমুখে ফিডে মহিলা বিশ্বকাপ ২০২৫ দবা প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে। কালি জৰ্জিয়াৰ বাটুমিত অনুষ্ঠিত ছেমি ফাইনেলত খেলুৱৈগৰাকীয়ে চীনৰ টান ঝংয়িক পৰাস্ত কৰি ফিডে মহিলা বিশ্বকাপৰ ফাইনেলত প্ৰৱেশ কৰা প্ৰথমগৰাকী ভাৰতীয় খেলুৱৈত পৰিণত হয়। লগতে এই জয়ৰ জৰিয়তে দেশমুখে ২০২৬ ত হ'বলগীয়া কেণ্ডিডেটছ প্ৰতিযোগিতাত স্থান পোৱাৰ উপৰি নিজৰ প্ৰথম গ্ৰেণ্ড মাষ্টাৰ নৰ্মো সুনিশ্চিত কৰে।

দিব্যাই এতিয়া শীৰ্ষ বাছনিৰ চীনৰ লেই টিংজি আৰু ভাৰতৰ শীৰ্ষ খেলুৱৈ কনেৰু হাম্পিৰ মাজৰ দ্বিতীয়খন ছেমিফাইনেলৰ বিজয়ীৰ বিৰুদ্ধে ফাইনেলত অৱতীৰ্ণ হ'ব। হাম্পি আৰু টিংজিয়ে একেৰাহে দ্বিতীয়বাৰৰ বাবে ড্ৰ' খেলি আজি হ'বলগীয়া টাইব্ৰেকত প্ৰৱেশ কৰিছে।

ooooo

এণ্ডাৰছন-টেণ্ডুলকাৰ ট্ৰফী শৃংখলাৰ চতুৰ্থখনত টেষ্টত ভাৰতে কালি ৪ উইকেটত সংগ্ৰহ কৰা ২৬৪ ৰাণৰ পৰা আজি দ্বিতীয় দিনাৰ খেল আৰম্ভ কৰিব। মানচেষ্টাৰৰ অ'ল্ড ট্ৰেফৰ্ডত অনুষ্ঠিত খেলখনৰ প্ৰথম দিনটোত কালি কম পোহৰৰ বাবে আগতীয়াকৈ খেল সামৰিবলগীয়া হয় । আলহী দলটোৰ হৈ সাই (ছাই) সুদৰ্শনে সৰ্বাধিক ৬১ আৰু অ'পেনাৰ যশস্বী জয়ছোৱালে ৫৮ ৰান কৰে। জয়ছোৱালে ৪৬ ৰান কৰা কে এল ৰাহুলৰ সৈতে ৯৪ ৰানৰ প্ৰাৰম্ভিক যুটীৰে দলক সুন্দৰ আৰম্ভণি দিয়ে। দিনান্তত শাৰ্দুল ঠাকুৰ আৰু ৰবীন্দ্ৰ জাডেজাই ১৯ ৰানকৈ কৰি

অপৰাজিত হৈ ৰয়। ইংলেণ্ডৰ হৈ বেন ষ্ট’কছে দুটা তথা ক্ৰীছ ৱ’কছ আৰু লিয়াম ড’ছনে এটাকৈ উইকেট দখল কৰে।

ইয়াৰ পূৰ্বে ইংলেণ্ডে টছত জয়লাভ কৰি প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লৈছিল। উল্লেখযোগ্য যে, পাঁচখনীয়া খেলৰ শৃংখলাটোত আলহী দলটো সম্প্ৰতি ১-২ ব্যৱধানত পিছ পৰি আছে।

০০০০০

ডুৰাণ্ড কাপ ২০২৫ ফুটবল প্ৰতিযোগিতাৰ উদ্বোধনী খেলখনত ইষ্ট বেংগলে ছাউথ্ ইউনাইটেড ফুটবল ক্লাবক ৫-০ গ’লত পৰাস্ত কৰে। বিশ্বৰ তৃতীয় পুৰণি তথা এছিয়াৰ সৰ্বপ্ৰথম কাপ ফুটবল প্ৰতিযোগিতাখনৰ ১৩৪ সংখ্যক সংস্কৰণৰ প্ৰথম খেলখন কালি কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগনত অনুষ্ঠিত হয়।

গ্ৰুপ পৰ্যায় আৰু নকআউট ৰাউণ্ডত হ'বলগীয়া খেলসমূহৰ গ্ৰুপ পৰ্যায়ৰ বাবে ২৪টা দলক চাৰিটাকৈ দলৰ ছটা গোটত ভাগ কৰা হৈছে। একক ৰাউণ্ড ৰবিন খেলসমূহৰ পাছত ছটা গোটৰ বিজয়ী আৰু সকলো গোটৰ ভিতৰতে দ্বিতীয় স্থানৰ শ্ৰেষ্ঠ দল দুটা কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিব। প্ৰতিযোগিতাখনত এইবাৰ মুঠ ৪৩খন খেল অনুষ্ঠিত হ’ব আৰু ফাইনেলখন ২৩ আগষ্টত খেলোৱা হ'ব ।

উল্লেখযোগ্য যে ইণ্ডিয়ান ছুপাৰ লীগৰ শেহতীয়া চেম্পিয়ন মোহন বাগান ছুপাৰ জায়েণ্টে ১৭বাৰ খিতাপ অৰ্জন কৰি ডুৰাণ্ডৰ ইতিহাসৰ সৰ্বাধিক সফল দলৰ অভিলেখ গঢ়িছে আৰু তেওঁলোকৰ ঠিক পাছতে আছে ১৬বাৰ খিতাপ দখল কৰা চিৰ প্ৰতিদ্বন্দ্বী ইষ্ট বেংগল। যোৱাবাৰ নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাব প্ৰতিযোগিতাখনৰ চেম্পিয়ন হৈছিল।

০০০০০

সমাপ্ত